*Total number of printed pages–7*

**63 (FY)SEM–2/MAJ2/ASMMAJ1024**

**2024**

# ASSAMESE

(MAJOR)

Paper : ASMMAJ1024

***(Evolution of Assamese Language)***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলত দিয়াসমূহৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১×৮=৮

(i) "মাগধী অপভ্ৰংশৰ পৰা অসমীয়া ভাষাৰ উদ্ভৱ হৈছে।" — এই উক্তিৰ সমৰ্থক হ'ল

(ক) কালিৰাম মেধি

(খ) দেবানন্দ ভৰালী

(গ) বাণীকান্ত কাকতি

(ঘ) বেণীমাধব বৰুৱা

*Contd.*

(ii) পোন প্ৰথমবাৰৰ বাবে দেশ অৰ্থত 'আসাম' আৰু জাতি অৰ্থত 'অহমিয়া' শব্দটো ক'ত পোৱা যায়?

(ক) 'কথা-গুৰু চৰিত'ত

(খ) 'অসম বুৰঞ্জী'ত

(গ) 'দৰং ৰাজ বংশাবলী'ত

(ঘ) 'কালিকা পুৰাণ'ত

(iii) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সময় হ'ল

(ক) খৃঃপূৰ্ব ১২০০-ৰ পৰা খৃঃপূৰ্ব ৬০০

(খ) খৃঃপূৰ্ব ১৩০০-ৰ পৰা খৃঃপূৰ্ব ৬০০

(গ) খৃঃপূৰ্ব ১৪০০-ৰ পৰা খৃঃপূৰ্ব ৬০০

(ঘ) খৃঃপূৰ্ব ১৫০০-ৰ পৰা খৃঃপূৰ্ব ৬০০

(iv) কিমান খৃষ্টাব্দত চীনা পৰিব্ৰাজক হিউৱেন চাঙে কামৰূপ ভ্ৰমণ কৰিছিল?

(ক) ৬৪৬ খৃষ্টাব্দত

(খ) ৬৪৫ খৃষ্টাব্দত

(গ) ৬৪৪ খৃষ্টাব্দত

(ঘ) ৬৪৩ খৃষ্টাব্দত



(v) পুৰনি অসমীয়া ভাষাৰ প্ৰথম স্পষ্ট চানেকি ক'ত পোৱা যায়?

(ক) 'সপ্তকাণ্ড ৰামায়ণ'ত

(খ) 'প্ৰহ্লাদ চৰিত'ত

(গ) 'লৱকুশৰ যুদ্ধ'ত

(ঘ) 'হৰিহৰ যুদ্ধ'ত

(vi) "অসমীয়া ভাষাটো অনাআৰ্য ভাষাৰ সাগৰৰ মাজত থকা এটা দ্বীপৰ দৰে।" — মন্তব্যফাকি কাৰ?

(ক) গোলক চন্দ্ৰ গোস্বামীৰ

(খ) কালিৰাম মেধিৰ

(গ) ৰমেশ পাঠকৰ

(ঘ) বাণীকান্ত কাকতিৰ

(*vii*) "জাকৈ, পল"—আদি শব্দ কি ভাষাৰ পৰা অসমীয়াত আহিছে?

(ক) ডিমাছা ভাষাৰ পৰা

(খ) বৰো ভাষাৰ পৰা

(গ) ৰাভা ভাষাৰ পৰা

(ঘ) কাৰ্বি ভাষাৰ পৰা

(*viii*) অসমীয়া-বাংলা-উড়িয়া ভাষাৰ প্ৰাচীন নিদৰ্শন হ'ল

(ক) শ্ৰীকৃষ্ণ কীৰ্ত্তন

(খ) শূন্য পুৰাণ

(গ) চৰ্যাপদ

(ঘ) সপ্তকাণ্ড ৰামায়ণ

২। চমুকৈ উত্তৰ লিখা : *(যিকোনো ছটা)* ২×৬=১২

(ক) মাগধী প্ৰাকৃতত লিখা *দুখন* গ্ৰন্থৰ নাম উল্লেখ কৰা।



(খ) দুৰ্গাবৰৰ সময় কিমান? তেওঁৰ দ্বাৰা ৰচিত গ্ৰন্থখনৰ নাম কি?

(গ) অৰ্বাচীন অপভ্ৰংশত লিখা *দুখন* গ্ৰন্থৰ নাম উল্লেখ কৰা।

(ঘ) অসমীয়া গদ্যৰ জনক কোন? তেখেতৰ দ্বাৰা ৰচিত *এখন* কাব্যপুথিৰ নাম উল্লেখ কৰা।

(ঙ) অসমীয়া ভাষাত পুৰুষবাচক নিৰ্দিষ্ট প্ৰত্যয়সমূহ কোন ভাষাৰ প্ৰভাৱ বুলি কোনে সন্দেহ প্ৰকাশ কৰিছে?

(চ) প্ৰথম অসমীয়া চৰিত পুথিখনৰ নাম কি? এইখন কোনে ৰচনা কৰে?

(ছ) অসমীয়া ভাষাত ৰচিত *দুখন* বুৰঞ্জী পুথিৰ নাম উল্লেখ কৰা।

(জ) শংকৰদেৱৰ প্ৰথম আৰু শেষ অংকীয়া নাট *দুখনৰ* নাম উল্লেখ কৰা।

৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া : *(যিকোনো ছটা)*

৫×৬=৩০

(ক) চৰ্যাপদৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ উল্লেখ কৰা।



*Contd.*

(খ) তামৰ ফালিৰ ভাষাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা।

(গ) অসমীয়া ভাষাৰ তদ্ভৱ শব্দৰ বিষয়ে *এটি* টোকা যুগুত কৰা।

(ঘ) অসমীয়া ভাষাত অষ্ট্ৰিক ভাষাৰ উপাদান সম্পৰ্কে *এটি* টোকা লিখা।

(ঙ) চৰিত পুথিৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(চ) শংকৰদেৱৰ সাহিত্যৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(ছ) অসমীয়া ভাষাত তিব্বতবৰ্মী ভাষাৰ উপাদান সম্পৰ্কে *এটি* টোকা লিখা।

(জ) মনবাৰৰ 'মনসা কাব্য'ৰ ভাষাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

(ঝ) ভট্টদেৱৰ ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ উল্লেখ কৰা।



৪। তলত দিয়াসমূহৰ ***যিকোনো দুটাৰ*** উত্তৰ দিয়া ঃ ১০×২=২০

(ক) অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে কি কি অভিমত পোৱা যায়? এই অভিমতসমূহৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা।

(খ) প্ৰাচীন অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহৰ বিষয়ে *এটি* টোকা লিখা।

(গ) মাধৱ কন্দলিৰ ভাষাৰ বৈয়াকৰণিক বৈশিষ্ট্যসমূহৰ বিষয়ে *এটি* আলোচনা যুগুত কৰা।

(ঘ) অসমীয়া বুৰঞ্জী সাহিত্যৰ ভাষাৰ গদ্যৰীতি সম্পৰ্কে আলোচনা আগবঢ়োৱা।

---